
ৰামধেনু
তৃতীয় সংখ্যা
২০২৫-২৬



"এটা গান শুনাই যা
গান গালে তোক বৰ ভাল দেখি
চকুৱে- মুখে তোৰ হাঁহিটো বিৰিঙে।..."

# কামধেনু

সুধাৰাণী দলৈৰাম পাঠক শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ ডি এল এড পাঠ্যক্ৰমৰ হাতেলিখা বাৰ্ষিক আলোচনী


সম্পাদক
পিনাক্ষী মহন্ত

সহযোগী সম্পাদক
জুৰি কলিতা
নাজমুন নেহাৰ

সুধাৰাণী দলৈৰাম পাঠক শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ ডি এল এড পাঠ্যক্ৰমৰ শিক্ষক প্ৰশিক্ষাৰ্থীৰ ঐক্যবদ্ধ প্ৰচেষ্টাত আৰু পিনাক্ষী মহন্তৰ সম্পাদনাৰে

# ৰামধেনু

তৃতীয় সংখ্যা
২০২৫-২৬ ইং বৰ্ষ


ৰামধেনু ©

প্ৰকাশ কাল : ৬ এপ্ৰিল ২০২৬ ইং

১ম প্ৰকাশ : ১৬ ডিচেম্বৰ ২০২৩ ইং
২য় প্ৰকাশ : ২১ ডিচেম্বৰ ২০২৪ ইং


## সম্পাদনা সমিতি

উপদেষ্টা : ড° জুলী অঞ্জু
সভাপতি : শ্ৰী শ্ৰমতী গীতাঞ্জলি পাটগিৰী
সম্পাদক : পিনাক্ষী মহন্ত
সহঃ সম্পাদক : জুৰি কলিতা, নাজমুন নেছাৰ
সদস্য বৃন্দ : বিগোশ্ৰী বড়ো, সীমাশ্ৰী দাস, ডিম্পল ডেকা ধ্রুবজ্যোতি কলিতা, নীৰজ পাঠক
বেটুপাতৰ আলোকসজ্জা : দৰ্শনা তালুকদাৰ, জুৰি কলিতা, ডিম্পল ডেকা
অলংকৰণ : জুৰি কলিতা, বিগোশ্ৰী বড়ো, ডিম্পল ডেকা
অক্ষৰ বিন্যাস : নাজমুন নেছাৰ, পিনাক্ষী মহন্ত, সীমাশ্ৰী দাস

# উছৰ্গা

অন্যায়ৰ বিৰুদ্ধে
স্বৰ তুলি নিয় দি
নিজস্বতাৰ পৰিচয় দিবলৈ
প্ৰয়াস কৰা তথা নতুন দিগন্ত সূচনা
কৰাৰ হাবিয়াস কৰি স্বাভিমান আৰু
আদৰ্শৰ নিদৰ্শন দাঙি ধৰি প্ৰত্যেকগৰাকী
পূণ্যাত্মাৰ শ্ৰী চৰণত তেওঁলোকৰ সন্মানাৰ্থে
উছৰ্গা কৰা হ'ল ডি এন এচ পাঠ্য-
ক্ৰমৰ তৃতীয় সংখ্যক সংকলন

## 'কামধেনু'

- সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলি



ডি এল এড পাঠ্যক্ৰমৰ বাৰ্ষিক আলোচনী 'ৰামধেনু'ৰ প্ৰতিষ্ঠাপক সদস্য, কুইজাৰ্ড, মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ শ্ৰেষ্ঠ তাৰ্কিক প্ৰনৱ জ্যোতি ডেকাৰ অকাল বিয়োগত আমি সকলোৱে মৰ্মাহত।

অকালতে অচিন দেশৰ বাট বুলা হে সমনীয়া, সজল সোঁৱৰণত শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

- সম্পাদনা সমিতি -

# FROM THE DESK OF PRINCIPAL

Dr. Jolly Anju,
M.A. (Double), M.Ed., M.Phil. (Gold Medal),
UGC-NET, Ph.D,

It gives me immense pride and happiness to present my message for the handwritten magazine "Ramdhenu"– a dedicated work of D.El.Ed. trainees of our esteemed institution. "Ramdhenu"– the name itself symbalises a blend of colours that comprises of ideas thought, talant and aspirations of the students.

A college magazine is not merely a collection of writings, it is a mirror of the institution. "Ramdhenu" stands as testinomy to the literary, artistic and academic excellence; providing a platform for the young minds to express their thaughts, imaginations and the voice which is not heard. Their contribution reeflects not only academic engagement but also it shows the sensitivity towards society, culture and human values.

I would like to extend my heartfelt appreciation to the editorial team for their sincere effort, dedication and teamwork in compling this wonderful edition of "Ramdhenu", with a hope that this edition of "Ramdhenu" will continue to inspire, enlighten and motivate our students.

With best wishes for its continued success —

Jolly Anju
06/04/2026

# সম্পাদকীয়



"সাহিত্য হৈছে সমাজৰ দাপোন।"

লক্ষ্মীনাথ বেজবৰুৱা

সাহিত্যৰ জৰিয়তে আমি আমাৰ সমাজৰ বাস্তৱ ছবি দেখা পাওঁ। এই সাহিত্য আৰু শিল্পকলাৰ চৰ্চাই এটা জাতিক দীৰ্ঘায়ু কৰে তাৰ এক প্ৰতিফলন 'ৰামধেনু' মাত্ৰ এখন হাতেলিখা আলোচনী নহয়, ই আমাৰ সৃষ্টিশীল মন, অনুভৱ আৰু চিন্তাৰ এক সজীৱ প্ৰকাশ। ইয়াত সন্নিবিষ্ট কবিতা, গল্প, প্ৰবন্ধ আৰু চিত্ৰকলাই ডি এল এড পাঠ্যক্ৰমৰ প্ৰশিক্ষাৰ্থীৰ সৃষ্টিশীল জগতখনক প্ৰকাশ কৰাৰ সুযোগ দিয়ে।

'ৰামধেনু' তৃতীয় সংকলনৰ সম্পাদিকাৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হৈছে যদিও মোৰ লগতে সম্পাদনা সমিতিৰ প্ৰত্যেকজন সদস্যৰ লগতে ডি এল এডৰ প্ৰত্যেক প্ৰশিক্ষাৰ্থীয়ে সক্ৰিয় আৰু ঐক্যবদ্ধভাৱে আগবাঢ়ি ইয়াক সফলভাৱে প্ৰকাশ কৰাত যথাপৰোনাস্তি চেষ্টা কৰিছে। তাৰ বাবে মই মোৰ সহপাঠীসকলক ধন্যবাদেৰে পূজিছোঁ। লগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষবৃন্দ, অধ্যক্ষ ড° জলী অঞ্জু

বাইদেউ আৰু ডি এল এড পাঠ্যক্ৰমৰ সমন্বয়ক গীতাঞ্জলী পাটগিৰি বাইদেৱে নিৰবিচ্ছিন্ন ভাৱে আমাৰ লগতে জড়িত হৈ উৎসাহিত কৰাৰ বাবে তেওঁলোকৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

কোনো সৃষ্টিয়েই সমালোচনাৰ ঊৰ্দ্ধত নহয় । আমাৰ এই হাতেলিখা বাৰ্ষিক আলোচনীখন প্ৰস্তুত কৰাৰ বাবে আমি যৎপৰোনাস্তি চেষ্টা কৰিছো । তাৰ পিছতো বিভিন্ন আসোঁৱাহ ৰৈ যোৱাৰ অৱকাশ থাকে । সেই আসোঁৱাহসমূহৰ গঠনমূলক সমালোচনাৰে দিহা পৰামৰ্শ আগবঢ়ায় আমাৰ শ্ৰীবৃদ্ধিত সহায় কৰাটোৱে আমাৰ কাম্য । অৱশেষত 'কামধেনু'-ৰ এই জয়যাত্ৰাৰ উত্তৰোত্তৰ কামনা কৰি হীৰেণ ভট্টাচাৰ্যৰ কবিতা এফাঁকিৰে

"মানুহে মানুহৰ বাবে, জীৱন জীৱনৰ বাবে।"

পিনাক্ষী মহন্ত
সম্পাদক
কামধেনু তৃতীয় সংখ্যক

# সূচীপত্ৰ

## প্ৰবন্ধ


- অসমীয়া ভাষাৰ জন্ম আৰু ক্ৰমবিৱৰ্তনৰ ইতিহাস - যুগস্মিতা শৰ্মা ১-৩
- ৰাভা জনগোষ্ঠীৰ এক পৰম্পৰাগত উৎসৱ 'খায়মো' - নৱস্মিতা ৰাভা ৪-৭
- নৱৰূপা - নিশিতা চুটিয়া ৮-৯
- প্ৰত্যাহ্বান - ছুয়ানিকা বৰ্মন ১০
- আন্তৰ্জাতিক নাৰী দিৱস : অৰ্ধ আকাশৰ মুক্তি আৰু মৰ্যাদাৰ এক মহাকাব্য - অংশুমান বনিয়া ১১-১৩


## বোলছবি সমালোচনা


- তাৰে জমিন পৰ - ডুল্লু কলিতা ১৪-১৬


## গল্প


- উত্তৰাধিকাৰী - অংশুমান বনিয়া ১৭-১৯
- অপূৰ্ণ সপোনৰ বাট - চুমি দাস ২০-২২
- অনাহূত - নিকিতা দেৱী ২৩-২৪
- বিধবা (চুটিগল্প) - সৌৰভ চক্ৰৱৰ্তী ২৫-২৬
- অম্লান (অণুগল্প) - সৌৰভ চক্ৰৱৰ্তী ২৭

# কবিতা


| | | |
|---|---|---|
| • শুকুলা মেঘ | অনিৰুদ্ধ বসু | ২৮ |
| • মই আজি পোহৰৰ অনুসন্ধানত | নিকিতা শৰ্মা | ২৯ |
| • ভবিষ্যত | সৌৰভ চক্ৰৱৰ্তী | ৩০-৩১ |
| • মৃত্যু | প্লাবিতা দাস | ৩২ |
| • ফাগুন | পিনাক্ষী মহন্ত | ৩৩ |
| • অনুভৱ | ৰাজশ্ৰী ৰাজবংশী | ৩৪ |
| • জোনাক | মলয়া কলিতা | ৩৫ |
| • সময় | তৃষ্ণা দাস | ৩৬ |
| • অস্তিত্বৰ সুবাস | মিনাক্ষী শৰ্মা | ৩৭ |
| • Evening by the River | Birgwsri Baro | ৩৮-৩৯ |
| • Liminal | Dadir Ahmed | ৪০ |
| • मौनता की भाषा | নিশা দুগাল | ৪১ |
| • वक्त का पहिया | তুশনা তালুকদাৰ | ৪২ |
| মহৎ লোকৰ বাণী | সীমাশ্ৰী দাস | ৪৩ |
| সাঁথৰ | জুৰি কলিতা | ৪৪ |
| চিত্ৰকলা | | ৪৫-৫১ |
| স্থিৰচিত্ৰ | | ৫২-৫৩ |
| পৰিশিষ্ট | | ৫৪-৫৫ |

# প্রবন্ধ

"কলম তলোয়ারের চেয়ে শক্তিশালী।"

প্ৰবন্ধ

# অসমীয়া ভাষাৰ জন্ম আৰু ক্ৰমবিৱৰ্তনৰ ইতিহাস

— যুগস্মিতা শৰ্মা
ডি এল এড চতুৰ্থ ষাণ্মাসিক

অসমীয়া ভাষা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এক প্ৰাচীন আৰু সমৃদ্ধিশালী ভাষা। ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত স্থান পোৱা আৰু শেহতীয়াকৈ 'ধ্ৰুপদী ভাষা' হিচাপে স্বীকৃতি লাভ কৰা এই ভাষাটোৱে হাজাৰ হাজাৰ বছৰৰ পৰিক্ৰমা অতিক্ৰম কৰি আজিৰ এই ৰূপ পাইছেহি।

অসমীয়া ভাষাৰ মূল শিপা নিহিত হৈ আছে ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ ইণ্ডো-আৰ্য শাখাৰ মাজত। ভাষাবিদসকলৰ মতে, প্ৰাচীন ভাৰতত প্ৰচলিত সংস্কৃত ভাষাৰ পৰা কালক্ৰমত প্ৰাকৃত আৰু অপভ্ৰংশৰ সৃষ্টি হৈছিল। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ দৰে ভাষাবিদৰ মতে, মাগধী প্ৰাকৃতৰ পূৱ শাখাৰ পৰাই অসমীয়া, বঙালী আৰু ওড়িয়া ভাষাৰ জন্ম হৈছিল। ড° বাণীকান্ত কাকতিৰ মতে, মাগধী প্ৰাকৃতৰ পৰা যদিও কাটি আহি 'কামৰূপী অপভ্ৰংশ'ৰ মাজেৰে অসমীয়া ভাষাই এক স্বতন্ত্ৰ চিনাকি

লাভ কৰে ।

অসমীয়া ভাষাৰ ইতিহাসক প্ৰধানকৈ তিনিটা যুগ বা স্তৰত ভাগ কৰিব পাৰি ঃ

(ক) প্ৰাচীন যুগ ঃ অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন হ'ল 'চৰ্যাপদ'। বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰা এই গীতসমূহৰ মাজত প্ৰাচীন অসমীয়া ভাষাৰ ব্যাকৰণ আৰু ধ্বনিৰ স্পষ্ট প্ৰভাৱ দেখা যায় । ইয়াৰ পিছতে হেম সৰস্বতী, মাধৱ কন্দলীৰ দৰে কবিসকলে অসমীয়া সাহিত্যক এক শক্তিশালী ৰূপ দিয়ে । মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ' উত্তৰ ভাৰতীয় আঞ্চলিক ভাষাসমূহৰ ভিতৰত ৰামায়ণৰ প্ৰথম অসমীয়া অনুবাদ ।

(খ) মধ্যযুগ ঃ এই সময়ছোৱাক অসমীয়া ভাষাৰ 'সোণালী যুগ' বুলিব পাৰি ।

শংকৰী যুগ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ বৈষ্ণৱ আন্দোলনে অসমীয়া ভাষাক এক সাৰ্বজনীন ৰূপ দিলে । তেওঁলোকে সৃষ্টি কৰা 'ব্ৰজাৱলী ভাষা' আৰু 'অংকীয়া নাট' সমূহে ভাষাটোক সমৃদ্ধ কৰি তুলিছে ।

আহোম যুগৰ বুৰঞ্জী ঃ আহোম স্বৰ্গদেউসকলৰ দিনত ৰচনা কৰা বুৰঞ্জীসমূহে অসমীয়া গদ্য সাহিত্যৰ ভেটি স্থাপনত সহায় কৰে । সেই সময়ৰ ভাৰতৰ আন ভাষাত গদ্যৰ ব্যৱহাৰ নোহোৱাৰ সময়তে অসমীয়াত এক উন্নত গদ্য ৰীতিৰ বিকাশ ঘটিছিল ।

(গ) আধুনিক যুগ ঃ ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত অসমত ব্ৰিটিছ শাসন আৰম্ভ হয় আৰু ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমৰ স্কুল-কাছাৰীত বঙালী ভাষাৰ

বাধ্যতামূলক প্ৰচলন আৰম্ভ কৰে । ইয়াৰ ফলত অসমীয়া ভাষা এক গভীৰ সংকটত পৰে ।

অৰুণোদইৰ ভূমিকা ঃ ১৮৪৬ চনত শিৱসাগৰৰ পৰা আমেৰিকান বেপ্টিষ্ট মিচনেৰীসকলে প্ৰকাশ কৰা 'অৰুণোদই' সংবাদ পত্ৰৰ জৰিয়তে অসমীয়া ভাষাই পুনৰ জীৱন লাভ কৰে । মাইলচ ব্ৰনছনৰ অভিধান আৰু হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ'-এ ভাষাৰ বৰ্ণবিন্যাস আৰু ব্যাকৰণক এক বৈজ্ঞানিক ৰূপ দিলে ।

জোনাকী যুগ ঃ ১৮৮৯ চনত কলিকতাৰ পৰা প্ৰকাশিত 'জোনাকী' আলোচনীয়ে আধুনিক অসমীয়া সাহিত্যত এক নৱজাগৰণৰ সৃষ্টি কৰে । লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ চেষ্টাত আধুনিক অসমীয়া ভাষাই বৰ্তমানৰ ৰূপ লাভ কৰে ।

অসমীয়া লিপিৰ বিকাশৰ ইতিহাস অতি প্ৰাচীন । ইয়াৰ মূল উৎস হৈছে ব্ৰাহ্মী লিপি । খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ পৰাই অসমত লিপিৰ প্ৰচলন পোৱা যায় । কুটিল লিপি আৰু কামৰূপী লিপিৰ মাজেৰে আহি অসমীয়া লিপিৰ বৰ্তমানৰ ৰূপটো স্থিৰ হৈছে । ইয়াৰ 'ৰ' আৰু 'ৱ' আখৰ দুটাই ইয়াক বঙালী লিপিৰ পৰা পৃথক কৰে ।

অসমীয়া ভাষা কেৱল এটা যোগাযোগৰ মাধ্যম নহয়, ই হ'ল অসমীয়া জাতিৰ সত্তা আৰু গৌৰৱ । বহু ঘাট-প্ৰতিঘাটৰ মাজেৰে পাৰ হৈ অহা এই ভাষাটোৱে আজি বিশ্ব দৰবাৰত নিজৰ স্থান সুৰক্ষিত কৰিছে ।

---

প্ৰবন্ধ

# ৰাভা জনগোষ্ঠীৰ এক পৰম্পৰাগত উৎসৱ "বায়খো"

নৱস্মিতা ৰাভা
ডি এল. এড চতুৰ্থ ষাণ্মাসিক

উত্তৰ পূৱ ভাৰতত অতি প্ৰাচীন কালৰে পৰা বসবাস কৰি অহা মঙ্গোলীয় ফৈদৰ এটি বিশেষ জনগোষ্ঠী হ'ল ৰাভা। এই ৰাভা জনগোষ্ঠী সকলৰ এটি জনপ্ৰিয় উৎসৱ হ'ল বায়খো। বায়খো পূজা এক কৃষিভিত্তিক উৎসৱ। সাধাৰণতে ইংৰাজীৰ এপ্ৰিল- 'মে' আৰু অসমীয়া জেঠ মাহত শস্যৰ আশা আৰু বৰষুণৰ কামনাৰ লগতে তেওঁলোকৰ সুস্বাস্থ্য কামনা কৰি এই উৎসৱ পালন কৰে। সমাজৰ অপায় অমংগল দূৰ কৰাৰ উদ্দেশ্যে উপাস্য দেৱতাক প্ৰাৰ্থনা জনায় আৰু বলি বিধান আগবঢ়ায়। পৰম্পৰাগত গীত নৃত্যৰ লগতে প্ৰচুৰ পৰিমাণৰ পানীয়ৰ ব্যৱহাৰেৰে অতি উলহ মালহৰ মাজেৰে এই উৎসৱ পালন কৰা হয়।

বায়খো পূজা সাধাৰণতে সপ্তাহৰ দেওবাৰ, বুধবাৰে বা শুক্ৰবাৰত আৰম্ভ কৰা হয়। এই উৎসৱৰ প্ৰথম দিনটো ক নৱ পিঠাৰ কাম বা ঘৰ শুদ্ধিকৰণ বুলি কোৱা হয়। ঘৰ শুদ্ধিকৰণৰ দিনা গাঁৱৰ প্ৰত্যেক পৰিয়ালে নিজৰ নিজৰ ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি পূজাৰ

যোগে আৰম্ভ হয়। ৰাভা সমাজত প্ৰচলিত ওজাপালি গীত আৰম্ভ কৰে। ইয়াৰ লগতে খাম বজোৱা হয়। শস্যৰ উপাস্য দেৱতালৈ বুলি প্ৰাৰ্থনা কৰি আৰু বৰষুণৰ কামনাৰে পূজাৰীসকলে সূৰ্য অস্ত যোৱাৰ পিছত নিজৰ মুখমণ্ডলৰ লগতে পাত চাউলৰ গুৰি আনি পূজাৰ আৰম্ভণি কৰে। ওজাপালিয়ে সন্ধিয়া সময়ত হাতত পিঠাগুৰি লৈ মংগলসূচক মন্ত্ৰ মাতি প্ৰত্যেকৰে ঘৰৰ চালত চটিয়াই দিয়ে। এই পিঠাগুৰি চটিয়াই যোৱা লোকসকলক মদেৰে আপ্যায়ন কৰা হয়। ইয়াক নক জুমকায় বোলা হয়।

খায়খোৰে দ্বিতীয় দিনটোক ভেৰ পূজা বোলে। এইদিনাখন হৈমাৰু গীত গাই পূজাৰ আৰম্ভণি কৰা হয়। ইয়াৰ পিছত গাঁৱৰ মতা মানুহবোৰে মানালৈ গৈ পূজা আৰম্ভ কৰে। বায়খো দেৱী আৰু দানডিক সন্তুষ্ট কৰিবৰ বাবে গাহৰি আৰু দেৱ দেৱীৰ বাবে কুকুৰা বলি দিয়া হয়। পূজা শেষ হোৱাৰ পিছত গাঁৱৰ মানুহে মদ-মাংসৰে ভোজ খাই ঘৰলৈ উভতি আহে। উভতি আহিবৰ সময়ত গীত গাই খাম, খাৎচুপা, টেমেকা আদি বজাই নৃত্য কৰে। ইয়াৰ লগতে ডেকালোকে এজোপা দীঘল বনৰীয়া লতা টানি আনে আৰু বাটে বাটে হৰিধ্বনি দি আহে। মানলৈ যোৱা মানুহবোৰ আহি পোৱাৰ আগতে গাঁৱৰ সীমান্তত গছপুলি ৰোৱা হয় আৰু গছপুলিৰ গুৰিত সকলোৱে গোট খায়। ইয়াক কিল্লা খোতা বোলে। মানলৈ যোৱা সকলে আৰু গাঁৱৰ আটাই-

বোৰ মানুহে বাদ্য বজাই কিল্লাৰ চাৰিওফালে আতবাবকে ঘূৰি পিছত কিল্লা ভাঙি পেলায়। কিল্লা ভঙাৰ পিছত গাঁৱৰ মুকলি ঠাইত বঁহী টনা খেল খেলা হয়। ইয়াৰ পিছত ঘৰে ঘৰে গৈ হৈমাৰু গীত গোৱা হয়।

ওজাপালিয়ে পূজাৰ কাম কাজ চলাই নিবলৈ 'চুভ্ লা চুভ্ লি'ক বাছনি কৰে। তেওঁলোকে মূৰত পাগুৰি মাৰি ৰঙা কাপোৰ পৰিধান কৰে। তাৰ পিছত তেওঁলোকে ঘৰৰ মাজ মজিয়াত আপনা পাতি চাকি এগছি জ্বলাই বায়মো দেৱীৰ নামত মদ আৰু প্ৰসাদ আগবঢ়ায়। আপনাৰ চাৰিকোণত চাৰিজন বায়নে খাম বজায় আৰু চুভ্ লা চুভ্ লিয়ে খামৰ তালে তালে নাচে। গীতালি দুজনে হৈমাৰু গীত আৰম্ভণি কৰে।

মাভোসকলে হৈমাৰু গীতৰ লগত আধ্যাত্মিকভাৱে জড়িত হৈ আছে। 'বায়মো' পূজাৰ বাহিৰে বেলেগ সময়ত এই গীত পৰিৱেশন কৰাটো নিষিদ্ধ। এই গীত মুখে মুখে চলি অহা আৰু ডেকা গাভৰুৱে এই গীত গোৱা নিষিদ্ধ। ঘৰৰ ভিতৰত হৈমাৰু গীত চলি থকা সময়ত চোতালত ডেকা গাভৰুৰ নৃত্য গীত আৰম্ভ হয়। এই নৃত্য গীত বোৰক ছাখাৰ বুলি কোৱা হয়।

ইয়াৰ লগতে আগৰ বছৰত থকা খোৱা শস্যৰে নিৰ্মিত এটি মেজি আজি জ্বলাই দিয়াটো বায়মো পূজাৰ নিয়ম। গীতৰ তালে তালে নৃত্য কৰি পূজাৰী সকলে জ্বলি উঠা মেজিৰ অঙ্গাৰ ওপৰেৰে পাৰ হৈ শস্যৰ উপাস্য দেৱতাক সন্তুষ্ট কৰে।

ৰাভা জনগোষ্ঠীৰ এই কৃষিভিত্তিক উৎসৱ। বায়মো পূজা'ৰ বিভিন্ন লোকাচাৰ, পৰম্পৰা আৰু কলা সংস্কৃতিয়ে ৰাভা সমাজ জীৱনক উজ্জীৱিত কৰি আহিছে। এই পূজাৰ জৰিয়তে অপায় অমংগল নাশ হোৱাৰ আশাৰে শস্যৰ উপাস্য দেৱতাৰ প্ৰতি নতশিৰে সেৱা প্ৰাৰ্থনা জনোৱা হয়।

---

প্ৰবন্ধ

# নৱৰূপা

প্ৰনিশিতা চেতিয়া
ডি. এল. এড চতুৰ্থ ষাণ্মাসিক

"যা দেৱী সৰ্বভূতেষু মাতৃৰূপেণ সংস্থিতা ।
নমঃস্তস্যৈ নমঃস্তস্যৈ নমঃস্তস্যৈ নমো নমঃ ॥"

মাৰ্কেণ্ডেয় পুৰাণৰ মতে আদ্য শক্তিৰ পৰাই উদ্ভৱ হৈছিল সমস্ত জগত। আদ্য শক্তিৰ পৰাই দেৱী তত্ত্ব বা দেৱতা তত্ত্ব ৰচিত আছে। এই দেৱী তত্ত্বৰেই এক অন্যতম অংশ বা ৰূপ হ'ল দুৰ্গতিনাশিনী দেৱী মা দুৰ্গা। দেৱী মা দুৰ্গাৰ নটা ৰূপকে ন দিন পূজা অৰ্চনা কৰা হয়।

শৈলপুত্ৰী ৰূপত দেৱী বৃষভৰ ওপৰত অধিষ্ঠিত হৈ থাকে। এই ৰূপত দেৱীৰ সোঁহাতত থাকে ত্ৰিশূল আৰু বাওঁহাতত থাকে পদুম ফুল।

ব্ৰহ্মচাৰিণী ৰূপত দেৱীয়ে শিৱক পাবৰ বাবে তপস্যা কৰিছিল। এই ৰূপত দেৱীৰ সোঁহাতত জপমালা আৰু বাওঁহাতত কমণ্ডলু বিদ্যমান।

দেৱীৰ মূৰত চন্দ্ৰ আকৃতিৰ তিলক থকা এই ৰূপ পৰম কল্যাণকাৰী। এই ৰূপত দেৱী দশভূজা আৰু বাহন সিংহ।

বিশ্বব্ৰহ্মাণ্ড সৃষ্টিৰ শক্তি লাভ কৰা বাবে দেৱীৰ এই ৰূপক কুষ্মাণ্ডা নামেৰে অভিহিত কৰা হয়।

এই ৰূপত দেৱী চতুৰ্ভূজা। কাৰ্তিকৰ আন এটা নাম স্কন্দ। কাৰ্তিকক কোলাত লৈ থকা দৃশ্য বিৰাজমান।

অসুৰক ধ্বংস কৰাৰ হেতু মহৰ্ষি কাত্যায়নে সৰ্বপ্ৰথমে দেৱীৰ পূজা-অৰ্চনা কৰা বাবে এই ৰূপক কাত্যায়নী হিচাপে অভিহিত।

দেৱীয়ে ত্ৰিনয়নী ৰূপেৰে সকলো বিপদ ধ্বংস কৰাৰ শক্তিৰে কালৰাত্ৰি ৰূপে বিৰাজমান। এওঁৰ বাহন গাধ।

শিৱক তপস্যা কৰাৰ ফলত দেৱীৰ শৰীৰ কলা পৰি গৈছিল। তেতিয়া শিৱেই গংগাৰ পবিত্ৰ পানীৰে ধুৱাই দিয়াৰ ফলত দেৱীৰ শৰীৰ বিদ্যুৎ প্ৰভাৰ দৰে জিলিকি উঠিছিল। তেতিয়াৰ পৰাই দেৱীয়ে মহাগৌৰী নাম পায়।

সিদ্ধিদাত্ৰী ৰূপত মা দুৰ্গাৱে সকলো ভক্তৰ দুখ-দুৰ্গতি বিনাশ কৰি সফলতা প্ৰদান কৰে।

জয় মা আদিশক্তি। ওঁম নমঃ শিৱায়।

---

প্ৰবন্ধ

# প্ৰত্যাহ্বান

চয়নিকা বৰ্মন
ডি এল এড দ্বিতীয় ষাণ্মাসিক

প্ৰত্যাহ্বান মানে জীৱনৰ সেইবোৰ পৰিস্থিতি যিয়ে মানুহক পৰীক্ষা কৰে আৰু আগবাঢ়িবলৈ উৎসাহ দিয়ে। মানুহৰ জীৱনত সদায় ডাঙৰ প্ৰত্যাহ্বান আহে। কেতিয়াবা শিক্ষাৰ ক্ষেত্ৰত, কেতিয়াবা জীৱিকাত আৰু কেতিয়াবা ব্যক্তিগত জীৱনত। এই প্ৰত্যাহ্বানবোৰে মানুহক শক্তিশালী, ধৈৰ্য্যশীল আৰু দৃঢ় সংকল্পবান কৰি তোলে।

প্ৰত্যাহ্বান নথকা জীৱন অনুপ্ৰেৰণাহীন হৈ পৰে। প্ৰত্যাহ্বানে মানুহক নিজৰ লগত চিনাকী কৰায়। উদা-হৰণস্বৰূপে, ছাত্ৰ এজনে শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হয়, কিন্তু কঠোৰ অধ্যাৱসায় আৰু পৰিশ্ৰমৰ ফলত তেওঁ সকলো সমস্যা অতিক্ৰম কৰিব পাৰে। প্ৰত্যাহ্বানে মানুহক সফলতাৰ পথ প্ৰস্তুত কৰে। ইতি-বাচক চিন্তা, আত্মবিশ্বাস আৰু অধ্যাৱসায় থাকিলে যিকোনো কঠিন পৰিস্থিতি সহজ হৈ পৰে। বিফলতা মানেই শেষ নহয়, ই কেৱল সফলতাৰ এটা ধাপ।

সেয়েহে প্ৰত্যাহ্বানক ভয় নকৰি, নিজৰ উন্নতিৰ এটা সোপান হিচাপে ল'ব লাগে। প্ৰত্যাহ্বানেই মানুহক জীৱনৰ প্ৰকৃত অৰ্থ বুজাবলৈ সহায় কৰে আৰু সাফল্যৰ দিশে আগবঢ়াই নিয়ে।

প্ৰবন্ধ

অন্তৰ্জাতিক নাৰী দিৱসঃ দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত ৰচনা

# আন্তৰ্জাতিক নাৰী দিৱস :

## অৰ্ধ আকাশৰ মুক্তি আৰু মৰ্যাদাৰ এক মহাকাব্য

অংশুমান গগৈ
ডি. এল. এড দ্বিতীয় ষাণ্মাসিক

আৰম্ভণিঃ

"পৃথিৱীৰ যিমান সৃষ্টি চিৰ কল্যাণকৰ,
আধা কৰিছে নাৰীয়ে আৰু আধা
কৰিছে নৰে।"

— কাজী নজৰুল ইছলাম

বিদ্ৰোহী কবি কাজী নজৰুল ইছলামৰ এই কালজয়ী পংক্তিৰ মাজতেই লুকাই আছে নাৰীৰ প্ৰকৃত স্বৰূপ। নাৰী কেৱল এটা সংজ্ঞা নহয়, নাৰী হ'ল পৃথিৱীৰ আধা আকাশ। প্ৰতি বছৰে ৮ মাৰ্চ তাৰিখে সমগ্ৰ বিশ্বই পালন কৰা 'আন্তৰ্জাতিক নাৰী দিৱস' কেৱল এটা দিনৰ বাবে আনুষ্ঠানিকতা নহয়; ই হ'ল অনাদি কালৰ পৰা চলি অহা শোষণৰ বিৰুদ্ধে এক বিপ্লৱৰ প্ৰতিধ্বনি আৰু নাৰী শক্তিৰ জয়গান।

## সংগ্ৰামৰ ইতিহাস:

নাৰী দিৱসৰ ইতিহাস কোনো ফুলৰ শয্যা নহয়, বৰঞ্চ ই আছিল তেজ আৰু ঘামৰ সংগ্ৰাম। ১৯০৮ চনত নিউয়ৰ্কৰ ৰাজপথত ১৫ হাজাৰ নাৰীয়ে নিজৰ অধিকাৰৰ বাবে যি জুই জ্বলাইছিল, সেই জুই আজিও নিৰ্বাপিত হোৱা নাই। ১৯১০ চনত ক্লাৰা জেটকিনৰ বলিষ্ঠ নেতৃত্বত জন্ম হোৱা এই দিৱসটোৱে ১৯৭৭ চনত ৰাষ্ট্ৰসংঘৰ পৰা বিশ্বজনীন স্বীকৃতি লাভ কৰে। এই ইতিহাস আমাক সোঁৱৰাই দিয়ে যেন আজিৰ নাৰীয়ে লাভ কৰা স্বাধীনতা কোনো উপহাৰ নহয়, ই হ'ল হাজাৰ হাজাৰ নাৰীৰ ত্যাগৰ ফচল।

## অসমীয়া সমাজত বীৰাংগনা আৰু আধুনিক গৌৰৱ:

অসমৰ ভূমিত নাৰীশক্তি সদায়েই প্ৰখৰ। যিমান দেশতে মূলাগাভৰুৱে হাতত হেংদান লৈ যুদ্ধক্ষেত্ৰত শত্ৰুক ধূলিসাৎ কৰিছিল, যিমান দেশতে কনকলতা বৰুৱাই দেশৰ পতাকাৰ বাবে বুকু পাতি গুলী খাইছিল, সেইমান দেশত নাৰী কেতিয়াও 'অবলা' হ'ব নোৱাৰে। সাহিত্যৰ পথাৰত নলিনীবালা দেৱীৰ কাব্যিক মৰ্মস্পৰ্শী সুৰ বা মামনি ৰয়চম গোস্বামীৰ কলমৰ জোৰত যি বিপ্লৱ নিহিত আছিল, সেয়া বিশ্বৰ যিকোনো আধুনিক চিন্তাধাৰাৰ সমান্তৰাল। বৰ্তমান সময়ত হিমা দাস বা লাভলীনা বৰগোহাঁইৰ দৰে জীয়ৰীয়ে প্ৰমাণ কৰিছে যে অসমীয়া নাৰীৰ সাহস আৰু শক্তিৰ অভেদ্য।

## প্ৰকৃত সবলীকৰণৰ প্ৰত্যাহ্বান:

একবিংশ শতিকাত আমি নাৰী সবলীকৰণৰ কথা কওঁ যদিও সমাজৰ মানসিকতা এতিয়াও সম্পূৰ্ণ সলনি হোৱা নাই। নাৰী দিৱসৰ প্ৰকৃত সাৰ্থকতা তেতিয়াহে হ'ব, যেতিয়া লিংগ বৈষম্য কেৱল আইনত নহয়; মানুহৰ মনৰ পৰাও আঁতৰিব। নাৰী সবলীকৰণৰ অৰ্থ কেৱল উচ্চ পদবীত আসীন হোৱাই নহয়, ইয়াৰ প্ৰকৃত অৰ্থ হ'ল- এগৰাকী নাৰীয়ে সমাজৰ কোনো ভয় অবিহনে নিজৰ জীৱনৰ সিদ্ধান্ত নিজে ল'ব পৰা স্বাধীনতা লাভ কৰা। যেতিয়ালৈকে নিশাৰ নিস্তব্ধতাত এগৰাকী নাৰীয়ে নিজকে সুৰক্ষিত অনুভৱ নকৰে, তেতিয়ালৈকে আমাৰ এই উদযাপন আধৰুৱা হৈয়ে ৰ'ব।

## সামৰণি:

নাৰী হ'ল সহনশীলতাৰ মূৰ্ত প্ৰতীক আৰু সৃষ্টিৰ মূল আধাৰ। নেপোলিয়ন বোনাপাৰ্টে কৈছিল- "মোক এজনী শিক্ষিত জাতি দিম।" নাৰী দিৱসৰ এই শুভ ক্ষণত আমাৰ সংকল্প হ'ব লাগে- নাৰীক কেৱল দুহিতা, ভগ্নী বা পত্নী হিচাপেই নহয়, এজন সম্পূৰ্ণ মানুহ হিচাপে সন্মান জনোৱা। নাৰীৰ বাবে আকাশখন মুকলি কৰি দিলেই তেওঁলোকে নিজৰ কৰ্মৰে পৃথিৱীখন সুন্দৰ কৰি গঢ়ি তুলিব। অৰ্ধ আকাশৰ মুক্তিতেই নিহিত আছে সমগ্ৰ মানৱ জাতিৰ প্ৰগতি।

# বোলছবি সমালোচনা

"আপোনাৰ বুদ্ধি বিভ্ৰান্ত হ'ব পাৰে
কিন্তু আপোনাৰ অনুভূতিয়ে
কেতিয়াও মিছা নকয়।"

# বোলছবি সমালোচনা —
## 'তাৰে জমিন পৰ'

— দুলু কলিতা
ডি এল এড দ্বিতীয় ষাণ্মাসিক

ভাৰতীয় চলচ্চিত্ৰ জগতত কিছুমান বোলছবিয়ে সমাজলৈ গভীৰ বাৰ্তা প্ৰেৰণ কৰে। তেনে এখন উল্লেখযোগ্য বোলছবি হৈছে 'তাৰে জমিন পৰ'। এই ছবিখন পৰিচালনা কৰিছিল প্ৰসিদ্ধ অভিনেতা আৰু পৰিচালক আমিৰ খানে। এই ছবিখনে বিশেষকৈ শিশুৰ মনোজগত, শিক্ষাৰ সমস্যা আৰু শিক্ষক-অভিভাৱকৰ ভূমিকা অতি সুন্দৰভাৱে উপস্থাপন কৰিছে।

এই ছবিখনৰ মূল চৰিত্ৰত অভিনয় কৰিছে ঈশান অৱস্থি। এজন সৰু ল'ৰা যি পঢ়া-শুনাত অসুবিধা পাইছিল। তেওঁ সদায় বিদ্যালয়ত বেয়া ফলাফল লাভ কৰিছিল আৰু শিক্ষক সকলে তাক এলেহুৱা বুলি গালি দিছিল ফলস্বৰূপে তেওঁৰ অভিভাৱকেও তাক বৰ্ডিং স্কুললৈ পঠিয়াই। পিছত

পিছুত শিশুটি মানসিকভাৱে ভাগি পৰে। তেনেসময়তে এজন কলা শিক্ষকৰ বিদ্যালয়ত আগমন হয়। তেমেতে কলা শিক্ষক ৰাম শংকৰ নিকুম্ভে (আমিৰ খানে) ঈশানৰ শিক্ষণ সমস্যা ডিচলেক্সিয়াত ভুগি থকা বুজি পায় আৰু তাক উৎসাহ দিয়ে ফলত শিক্ষকজনে সহায় কৰি ঈশানে নিজৰ প্ৰতিভা প্ৰকাশ কৰে। এই বোলছবিখনত ঈশানৰ চৰিত্ৰত অভিনয় কৰা দৰ্শিল ছাফাৰি ৰ অভিনয় অত্যন্ত স্বাভাৱিক আৰু হৃদয়স্পৰ্শী। তেওঁৰ অভিনয়ে দৰ্শকৰ মন গভীৰভাৱে স্পৰ্শ কৰে লগতে আমিৰ খানৰ চৰিত্ৰটোৱেও প্ৰভাৱশালী ৰূপত উপস্থাপন কৰিছে। ইয়াৰ লগতে সংগীতৰ 'মা' গীতটোৱে আজিও প্ৰতিজন দৰ্শকৰ চকু সেমেকাই পেলায়। এই ছবিখনে দেখুৱাইছে যে প্ৰতিটো শিশুৰে নিজৰ নিজৰ প্ৰতিভা থাকে। সকলো শিশুকে একে ধৰণে মূল্যায়ন কৰা উচিত নহয়। অভিভাৱক আৰু শিক্ষকসকলে শিশুৰ মনোবিজ্ঞান বুজি তেওঁলোকক সহায় কৰা অত্যন্ত প্ৰয়োজনীয়। এই ছবিখনে কেৱল ডিচলেক্সিয়াৰ দৰে অত্যন্ত প্ৰয়োজনীয়। এই ছবিখনে কেৱল ডিচলেক্সিয়াৰ দৰে বিষয়কেই নহয়,

বৰঞ্চ আমাৰ শিক্ষা ব্যৱস্থাৰ বিফলতাকো আঙুলিয়াই দিছিল । ছবিখনৰ কাহিনী, অভিনয়, সংগীত সকলো দিশতে অত্যন্ত প্ৰভাৱশালী । ক'বলৈ গ'লে, "প্ৰত্যেকটো শিশুৰে নিজা গতি আৰু সক্ষমতা থাকে ।" এই বাৰ্তাটোৱেই ছবিখনৰ মূল মন্ত্ৰ ।

'তাৰে জমিন পৰ' কেৱল এখন চিনেমা নহয়, ই এক শিক্ষামূলক, প্ৰেৰণাদায়ক আৰু সজাগতাৰ দিশ নিৰ্দেশাত্মক বাৰ্তা । এই ছবিখনে সমাজক শিশুৰ প্ৰতিভা চিনাক্ত কৰাৰ গুৰুত্ব আৰু সহানুভূতিশীল শিক্ষাব্যৱস্থাৰ প্ৰয়োজনীয়তা স্মৰণ কৰাই দিছে । সেয়ে এই ছবিখন সকলো শিক্ষক, অভিভাৱক আৰু শিক্ষাৰ্থীৰ বাবে দৰ্শনীয় ।

# গল্প

"শব্দৰ বুটা বাচি, কল্পনাৰে
অনুভৱৰ গুঁথি, কাহিনীৰ দস্তা-
বেজে সঁচা মিছাৰ দোমোজাত
জীয়া জীয়া জীৱন।"

গল্প

# উত্তৰাধিকাৰী

- অংশুমান বনিয়া
ডি এল এড দ্বিতীয় ষাণ্মাসিক

চহৰৰ ব্যস্ত ৰাজপথত কাষৰ ধাৰি এজন বুঢ়া মানুহজনৰ হাতত এটা পুৰণি টিনৰ বাকচ। মানুহ-বোৰ কাষেৰে পাৰ হৈ গৈছে- কাৰোবাৰ হাতত স্মাৰ্টফোন। অৰ্ণৱে খোজৰ গতি কমাই দিলে। সি লক্ষ্য কৰিলে; বুঢ়াজনে বিক্ৰীৰ বাবে একোৱেই লৈ দিয়া নাই। মাত্ৰ এখন ফলকত লিখা আছে - "আপোনাৰ শৈশৱটো বিচাৰি পাইছে নেকি?" কৌতুহল আমাৰিব নোৱাৰি অৰ্ণৱ ওচৰলৈ গৈ সুধিলে, "দাদা; কি বিক্ৰী কৰিছে আপুনি?" বুঢ়াজনে চশমা-যোৰ ঠিক কৰি মিচিকিয়াই হাঁহিলে কলে "মই বিক্ৰী নকৰোঁ বোপা, মই কেৱল ঘূৰাই দিওঁ। এই বাকচটোত বহুতো হেৰাই যোৱা বস্তু আছে।" অৰ্ণৱে বাকচটো খুলি চালে। ভিতৰত একো দামী বস্তু নাই- কেইটামান ৰঙীন মাৰ্বল, এটা শুকান বকুল ফুল, এটা ভগা পেঞ্চিল আৰু ৰবৰখনত

পতিতা কাগজৰ নাও । এইবোৰ কোনে লয় ?
অৰ্ণৱে হাঁহি এটা মাৰি ক'লে । বুঢ়াজনে গহীন হৈ ক'লে "যিয়ে নিজৰ অস্তিত্বৰ ঠিকনা হেৰুৱাইছে, তেৱেঁই লয় । চোৱা বোপা, তোমাৰ দৰে বহুতেই এতিয়া সফলতা কিনিবলৈ দৌৰিছে, কিন্তু তাৰ বিনিময়ত তেওঁলোকে নিজৰ "সহজ হাঁহিটো" মোৰ এই বাকচটোত বন্ধকীত থৈ গৈছে । মই আজি সেই হাঁহিটোৰ উত্তৰাধিকাৰী বিচাৰিছোঁ । অৰ্ণৱে তাৰ হাতৰ দামী ঘড়ীটোলৈ চালে । সময়বোৰ যেন থমকি ৰ'ল । সি হঠাৎ অনুভৱ কৰিলে, তাৰ হাতৰ এই আইফোনটোতকৈ সেই ভগা পেঞ্চিলডালহে ওজন বহুত বেছি আছিল । সি এটামুঠ পইচাৰ বিচাৰি নিজৰ পকেটত হাত ভৰালে, কিন্তু তাৰ বিনিময়ত কেৱল কেইখনমান ভিজিটিং কাৰ্ড আৰু মোবাইল ফোনটোৰ বাহিৰে একো একোৱেই নাছিল ।

অৰ্ণৱে সুধিলে, "মই মোৰ হাঁহিটো আকৌ পাব পাৰিমনে ?"

যুৱজনে মালী বাকচটো বন্ধ কৰি দি'লে, বাকচটোত নহয় সোণা, ঘৰলৈ যোৱা। তোমাৰ ভাই ভতি-জা বা ভাগিনজনীৰ চকুৰ আগত নিজৰ মোনাৰ-টো আকৌ এবাৰ বিচাৰি চোৱা। তাত ভতিজাও মোৰ এই বাকচটোতকৈ বেছি সম্পদ জমা হৈ আছে।”

অৰ্ণৱ উভতি আহিল। সি বুজি পালে যে জীৱনৰ আটাইতকৈ ডাঙৰ অংকটোৱেই হ'ল আমি কিমান উপাৰ্জন কৰিলোঁ তাতকৈ ডাঙৰ হৈছে আমি কিমান 'আমি' হৈ থাকিলো।

গল্প

# অপূৰ্ণ সপোনৰ বাট


— ভুমি দাস

ডি এল এড দ্বিতীয় ষাণ্মাসিক


এটি নিস্তব্ধ সন্ধিয়া। চাৰিওফালে সেউজীয়া প্ৰকৃতি আৰু তাৰ লগে লগে বৈ গৈছে নৈখন। নৈখনৰ পাৰতে নিশব্দে বহি ৰৈছে অৰূপ। তাৰ এই নৈখনৰ লগত বৰ আত্মীয়তা। আজিও যেতিয়া সি জীৱনত হতাশ হৈ পৰিছে; নৈখনৰ ওচৰতে সি আশ্ৰয় লৈছে। অৰূপে নিজৰে মাজতে কিবাকিবি ভাবি, এপাকত নৈখনক প্ৰশ্ন কৰিছে, "মই কি সঁচাকৈয়ে ব্যৰ্থ ?"

অসমৰ এক গাঁৱত ডাঙৰ দীঘল হোৱা অৰূপ এজন দুখীয়া পৰিয়ালৰ ল'ৰা। দিন-হাজিৰা কৰি দেউতাকে কোনোমতে পৰিয়ালটি

পোহৰ পাল দি আছিল । তাৰ মাজেৰে অৰূপে অশেষ কষ্টৰে ঘৰে ঘৰে টিউচন কৰি স্নাতক ডিগ্ৰী লাভ কৰে । সেইদিনা তেওঁৰ পৰিয়ালত আনন্দৰ সীমা নাছিল । দেউতাকে গৌৰৱেৰে ক'লে, "প্ৰতিমা মোৰ ল'ৰা এটা ভাল চাকৰি পাব আৰু আমাৰ দুখ কষ্টবোৰ শেষ হ'ব ।" লাহে লাহে দিন বাগৰিল বছৰ বাগৰিল কিন্তু অৰূপে সফল হোৱা নাই । অৰূপে বিভিন্ন চৰকাৰী আৰু ব্যক্তিগত সংস্থাত চাকৰিৰ বাবে আবেদন কৰিলে । প্ৰতিদিনে তেওঁ নতুন বিজ্ঞাপন বিচাৰিছিল আৰু সাক্ষাৎকাৰৰ বাবে সাজু হৈছিল । কিন্তু জীৱন ভবাৰ দৰে সহজ নহয় । মেধাৱী হ'লেও প্ৰতিটো দিশৰ পৰা কেৱল বিফলতা-হে তেওঁৰ ওচৰলৈ আহিছিল । এই বিফলতাৰ কাৰণ নামজনা ঘৰৰ সন্তান নোহোৱা আৰু মোটা ধনৰ যোগ দিব নোৱাৰা । অন্ধকাৰৰ মাজতে সূৰ্য্য পোহৰৰ ৰশ্মি দেখাৰ দৰে অৰূপৰ জীৱনলৈও আহি-লে আশাৰ বেঙনি । চহৰৰ পৰা ফোন আহিলে আশাৰ বেঙনি । চহৰৰ পৰা ফোন আহিলে এটা চাকৰিৰ সাক্ষাৎকাৰৰ বাবে । পিছদিনা পুৱাই অৰূপে মাকে দিয়া কিছু লাল চাহ খাই-

ছেকেণ্ডহেণ্ড বাইকখন কোনোমতে চলাই উলাল গন্তব্য স্থানলৈ। আগষ্ট মাহৰ প্ৰখৰ ৰ'দত অৰূপে ঘামত তিতি বুৰি গৈছে, অৱশ্যে তাৰ ভোক নলগা নহয়। অলপ ৰ'দত পৰিত্ৰাণ পাবলৈ আৰু ভোক লগাত দোকান এখনৰ ওচৰত ৰাখিলে। জেপত হাত ভৰাই চালে পঞ্চাছ টকাৰ নোট এখন। "নাই নহব" - সি মনতে ভাবিলে। কাৰণ এইখিনিৰে সি ঘৰ যাবলৈ বাইকত তেল ভৰাব লাগিব। দোকানীজনক আশ্বাসকাৰ হ'ব লগা টাইখিনি কোনকালেবে যাব লাগে বুলি সি আগবাঢ়িলে।

অৱশেষত এইবাৰ অৰূপে সফলতা লাভ কৰিলে। তাৰ মনত যে আনন্দৰ সীমা নাই। সি উত্তাৰণ হৈ পাৰিছে মাক-দেউতাকক ক'বলৈ সি যে ব্যক্তিগত সংস্থত হ'লেও চাকৰি এটা পাবলৈ সক্ষম হ'ল। কিমান যে সপোন আছে অৰূপৰ। এতিয়া সি নিজৰ প্ৰেয়সী সুৰভিক নিজৰ কৰি ল'ব পাৰিব আৰু, দেউতাকৰ কষ্টৰ শেষ হ'ব। বহুত আশাৰে বাট চাই আছে সুৰভিয়ে তালৈ। সি ঘৰলৈ ওলাওঁতে প্ৰায় সন্ধিয়া ৭ মান বাজিছে। এনেতে দ্ৰুতবেগী ট্ৰাক এখনে অৰূপক মহটিয়াই নিলে শেষ সকলো শেষ। কেৱল সাক্ষী হৈ পৰিল অৰূপৰ এপইণ্টমেণ্ট লেটাৰখন।

গল্প

# অনাহূত

নিকিতা দেৱী
ডি এল এড দ্বিতীয় ষাণ্মাসিক

প্ৰাতিপুৱাৰে পৰা কৃত্তিকাই গেটৰ পিনে চাই আছে। তাইৰ জীৱনৰ বিশেষ ব্যক্তিজন অহাৰ আশাত। কিয়নো আজি তাইৰ জন্মদিন ৩০ মাৰ্চ আৰু এই দিনটোতে ছয় বছৰ আগতে অৰ্থাৎ ৩০-০৩-২০২০ চনত তাইৰ সেই বিশেষ ব্যক্তিজনৰ মৃত্যুৰ খবৰ আহিছিল। আজিও তাই সেই একেটা অপেক্ষাতে ৰৈ থাকে। জন্মৰ দুই বছৰ পিছতে মাকক হেৰুৱাই তাইৰ দেউতাকেই হৈ পৰিছিল তাইৰ বাবে সকলো সেই বিশেষ ব্যক্তিজন। কিন্তু নিষ্ঠুৰ নিয়তিয়ে তাইৰ পৰা তাইৰ সকলো কাঢ়ি নিয়াতে অকনো কুণ্ঠাবোধ নকৰিলে।

দিন আছিল ২৩ মাৰ্চ ২০২০। কৃত্তিকাৰ দেউতাকে কোম্পানীৰ কামত দিল্লীলৈ যাবলগীয়া হৈছিল। দেশত সেই সময়ত ‘কʼৰণা ভাইৰাছে’ মহামাৰী ৰূপ লৈ ধৰিছিল। কৃত্তিকা তেতিয়া চিকিৎসা বিজ্ঞানৰ অন্তিম বৰ্ষৰ ছাত্ৰী। দেউতাকক তাই মানা কৰিছিল যদিও নিজৰ কোম্পানীটো বচোৱাৰ খাতিৰত দেউতাক গৈ দিল্লী পালেগৈ।

কৃত্তিকাৰ জন্মদিনৰ আগত উভতি আহিম বুলি কৈ দেউতাক গৈছিল। তথাপিও তাইৰ মনত কিবা এটা অশান্তিয়ে বিৰাজ কৰিব ধৰিছিল। দুদিন পিছতে অৰ্থাৎ ২৫ মাৰ্চত দেউতাক উভতি অহাৰ কথা আছিল। কিন্তু নিয়তিয়ে যেনিবা কৃত্তিকাক তাইৰ 'ক'ভিড ১৯'য়ে তাইক সম্পূৰ্ণ অকলশৰীয়া কৰি থৈ গ'ল।

দিন বাগৰি গ'ল আৰু কৃত্তিকাই কিবাকৈ নিজক সামৰি দেউতাকৰ সপোন অৰ্থাৎ তাইৰ ডাক্তৰ হোৱা সপোনটোৰ পিনে গতি কৰিব ল'লে। অৱশেষত অশেষ পৰিশ্ৰমৰ ফলত তাই এজনী খ্যাতিসম্পন্ন ডাক্তৰত পৰিণত হ'ল।

আজি ইমানবোৰ নাম, যশ থাকিও তাই অকলশৰীয়া। তাইৰ অকলশৰীয়া জীৱনটো অতিবাহিত কৰিবলৈ এখন আশ্ৰম খুলিছে। তাতে তাই প্ৰায়েই গৈ থাকে। আজিও তাইৰ বিশেষ দিনটো উদযাপন কৰিবলৈ আশ্ৰমলৈ যাব ওলাইছে।

চুটিগল্প

# বিধৱা

বন্যা বিদায়ৰ সময়ত পদূলিলৈ ওলাই অহাত শাহুৱেকে জোনালীক ক'লে ——

" জোনালী তুমি বিধৱা বোৱাৰী।"

পিছত জোনালী সেমেকা মনটোৰে ঘৰলৈ ঘূৰিয়েই আগবাঢ়িলে। নিজৰ স্কুটী আছে যেতিয়া তাই আৰু ৰাতি পুৱাবলৈ বাট নাচালে। বিয়াঘৰৰ উদুলি-মুদুলি পৰিৱেশৰ পৰা তাই গুচি আহিল।

গাড়ীৰ স্পীড বেছি নাছিল। অৱশ্যে...... অৱশ্যে কুকুৰটোৰো দোষ নাছিল। নিজকে বচাবলৈয়ে সি ইফাল-সিফাল কৰিছিল।

জোনালী এগৰাকী শিক্ষয়িত্ৰী। এগৰাকী বিধৱা নাৰী। ঘৰখনত প্ৰাণী বুলিবলৈ জোনালী আৰু শাহুৱেকে মাত্ৰ। সেয়ে তাই যিমান পাৰে মৰম আৰু আদৰেৰে শাহুৱেকৰ লগত মিলি থাকিব বিচাৰে। তাই তেওঁলোকৰ সম্বন্ধ শাহু-বোৱাৰীৰ পৰা মাক-জীয়েকৰ সম্বন্ধলৈ উন্নীত কৰিব বিচাৰে। শাহুৱেকেও তাইক যথেষ্ট মৰম কৰে। মাজে মাজে সমাজৰ নীতি, নিয়ম, আদৰ্শ কায়দাবোৰ শিকাই থাকে। জোনালীৰ দৰে নাৰী যে সমাজৰ কিছুমান নীতি-নিয়মৰ

পৰা বহিষ্কৃত, সেইবোৰ তাইক বুজাই দিয়ে। জোনালী-ৰ শাহুৱেককো হেনো তেওঁৰ শাহুৱেকে এইবোৰ নিয়ম শিকাইছিল।

হস্পিতালৰ বিচনাত জোনালীয়ে নিজক জ্ঞান ঘূৰাই পালে। কুকুৰটো গাড়ীৰ আগত দেখি ভয়তে চাগে তাই মূৰ্চ্ছা গৈছিল। বিশেষ একো দুখ পোৱা নাই যদিও দুটা বেজী আৰু ঔষধৰ তালিকা এখন দি ইতিমধ্যে তাইক হস্পিতালৰ পৰা ৰিলিজ দিয়া হৈছে।

ফাৰ্মাচীৰ পৰা ঔষধখিনি লৈ যাবলৈ বুলি স্কুটীখন ৰখাই নামিবলৈ লওঁতে তাইৰ জীউটো আকৌ কঁপি উঠিল। লগে লগে তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি থকা কুকুৰটোৰ ওচৰত তাই উপস্থিত হ'ল। তাই উচুপি উঠিল অজানিতে .....। বিয়াৰ তিনিমাহৰ পিছতে ট্ৰাকৰ খুন্দাত নিহত হোৱা গিৰিয়েকৰ শৱ দেহটো দেখিও তাই এনেদৰেই উচুপি উঠিছিল। জোনালীয়ে গম নোপোৱাকৈয়ে ঔষধৰ তালিকাখন কুকুৰটোৰ পেটটোৰ ওপৰত থ'লে। তৎ মুহূৰ্ততে আন এজাক কুকুৰে হাঁহি উঠিল .....॥

সৌৰভ চক্ৰৱৰ্তী
ডি এল. এড চতুৰ্থ ষাণ্মাসিক

অণুগল্প

# সন্মান

সৌৰভ চক্ৰৱৰ্ত্তী
ডি.এল.এড চতুৰ্থ ষাণ্মাসিক

ক্লাছৰ আটাইতকৈ চোকা ল'ৰাজনৰ কথাৰে কক্ষটো গুঞ্জৰিত হ'ল। ৰৈ গ'ল শিক্ষকৰ মুখত ক্লাছৰ আটাইতকৈ কম পঢ়া অৰ্থাৎ গাধ ল'ৰাটোৰ বিষয়ে ক'বলৈ।

দহ বছৰ পিছত একেখন সভাতে নিমন্ত্ৰণ কৰিছে অঞ্চলটোৰ সন্মানীয় শিক্ষকজন, নতুনকৈ জইন কৰা বিশেষজ্ঞ ডাক্তৰজন লগতে সমাজকৰ্মী গাধ ল'ৰাজনক। পিছে সেই গাধ ল'ৰাজনেহে চকীখনত বহিব নোৱাৰিলে। তাৰ শিক্ষাই হেনো শিক্ষকৰ সমপৰ্যায়ত বহাৰ জ্ঞান নিদিয়ে।

# কবিতা

মই কবি, গীতিত মোৰ সামৰ্থ্য
আলিদোমোজাত ভূতগ্ৰস্ত প্ৰহৰীৰ
কৃতঘ্ন পিতলৰ সুহুৰিয়ে বিপৰ্যস্ত
কৰে মোৰ কাব্যৰ অৰ্থ।

# শুকুলা মেঘ

ডাৱৰৰ আঁৰে আঁৰে
খেল ধেমালি কৰি
নাচি বাগি ঘূৰি
তোমাৰ লগৰীয়া হৈ আছোঁ।
আমি সকলোৰে
তুমি জানো আছা অকলে
আমি আছোঁ তোমাৰ ছাঁ লৈ
সকলোৰে খেলা-ধূলা কৰোঁ।
তোমাৰ লগত
তুমি শুকুলা মেঘৰ ছাঁ
আহা তুমি আমাৰে মাজলৈ
এজাক বৰষুণ হৈ।

অনিৰুদ্ধ ৰয়
ডি. এল. এড. চতুৰ্থ ষাণ্মাসিক

কবিতা

# মই আজি পোহৰৰ অনুসন্ধানত

আজি আকৌ পোহৰৰ অনুসন্ধানত
সকলো বাধা নেওচি আগবাঢ়ি আহিছোঁ,
নাজানো এই বাটত সংগী হিচাপে কাক পাম
কিন্তু মোৰ অতীতক মই লগতেই লৈ যাম ।

মোৰ উকা অন্ধকাৰ জীৱনক
আকৌ পোহৰেৰে উপচাম,
এইবাৰ ইয়াত নানা ৰঙৰ ৰঙেৰে
বিভিন্ন বুলনি বোলাম ।

অতীত বোমন্থন কৰি ভৱিষ্যতক
নতুনকৈ আদৰণি জনাম,
কিন্তু এই বাৰ পোহৰ বিলোৱাৰ আগত
প্ৰথমে নিজকে পোহৰেৰে সজাম ।

নিকিতা শৰ্মা
ডি এল এড দ্বিতীয় ষাণ্মাসিক

# ভৱিষ্যৎ

জীৱন , ক্ষুধা আৰু অনুভূতি থাক
তোৰ প্ৰয়োজনৰ পৰিধি কিমান ?
ঘূণে খোৱা সূঁতাৰ ভাঁজত
বাঢ়ি অহা ভৱিষ্যত
তাৰ ওজন কিমাননো ?
কপালৰ ঘামত পাহ মেলা যৌৱনে
গণিব পাৰে এডাল এডাল
বুকুৰ কামিহাঁড়
শুকাই যোৱা কলিজাত
শূন্যতাৰ পোহাৰ মেলা পোহাৰী তই
মৰি মৰি বাচি থাকে
তোৰ পোহাৰৰ শূন্যতা
আৰু থাকে এটা সপোন
সেই শূন্যতাত উঁটি ভাঁহি
তোৰ প্ৰয়োজনৰ সীমা চুবলৈ

কবিতা

তই গাব পাৰনে জীৱনৰ গান,
যে মৃত্যুৰ উপত্যকাত তয়ো এটা শব ?
তোৰ সভ্যতাই নিচুকাই যায়
আমাৰ সভ্যতাক ।

ভুল বুজুজিবি তই
আজিও যে পংগু
মুঁটাৰ ভঁজত সচা
তোৰ ভবিষ্যতৰ দৰে ।

- সৌৰভ চক্ৰৱৰ্তী
ডি এল এড চতুৰ্থ ষাণ্মাসিক

কবিতা

# মৃত্যু

এটা শব্দ
যি শুনাৰ আগতে উভতি নাযায়,
যি নাম ল'লে চকুৰ পোহৰ কেঁচা হয়।
তেওঁ আহে, নজনা সময়ত
হাঁহিৰ মাজৰ বিষটো যেন উলিয়াই দিয়ে।
পাহাৰৰ শিৰা, সাগৰৰ ঘূৰ্ণি
বুকুত ভিতৰত চুপচাপ কঁপি থকা শব্দ,
যিহঁতকো সুধে –
"তুমি সাজু নে?"
মৃত্যু – নহয় শেষ।
এটি সুৰ, যি হেৰাই গৈ জীৱনৰ পাৰ–
সোমাই যায় কোনোবা পঢ়া কিতাপসমূহৰ মাজত।
তেওঁ আহে
গীত গাই নাযায়;
কিন্তু তেওঁ আহিলেহে
মানুহে গানবোৰক সঁচাকৈ শুনিবলৈ শিকে
চকু বন্ধ নকৰাকৈ আহে
নিশাৰ দৰে নীৰৱ ধৈৰ্যশীলৰে।
হাতত লাঠি নাই, নহয় ডাঠ কাপোৰ পিন্ধা
তথাপিও হেৰুৱায় সকলোৰে আলোক।

– প্লাবিতা দাস
ডি এল এড দ্বিতীয় ষাণ্মাসিক

# ফাগুন

ফাগুন তুমি মোৰ প্ৰিয় নহয়
তোমাৰ প্ৰতিটো ফুলত
লুকাই আছে হেৰুওৱাৰ বেদনা।
তোমাৰ ৰঙৰ কোঁহে কোঁহে মুঠি ভৰাই
হৃদয়ত থোৱাই বেদনাৰ সোঁত।
তুমি পলাশৰ ৰঙাবোৰ
বতাহৰ পৰশত নিঃশেষ কৰোৱা।
তুমি আহা মানেই হৃদয়ত
প্ৰেমৰ স্মৃতিৰে ভৰে অন্তৰ।
যদিও, আনে বিচ্ছেদৰ বেদনা
ফাগুন, তুমি মোৰ প্ৰিয় নহয় কেতিয়াও,
কাৰণ তুমি যে আহা বিচ্ছিন্নতাৰ পাৰিধি।

মিনাক্ষী মহন্ত
ডি এল এড চতুৰ্থ ষাণ্মাসিক

****

# অনুভৱ

বুকুৰ ভিতৰৰ অনুভৱবোৰ সংগোপনে ৰাখিছোঁ
ডায়েৰীৰ পৃষ্ঠাবোৰত
কিমান যে মৰম ভালপোৱা অভিমানৰ সাক্ষী
আছিল ডায়েৰীৰ পৃষ্ঠাবোৰ
কোনোবাই কৈছিল ভালপালে যেনো লাগে মাথো
ভেজালহীন অন্তৰ ।
মই পাইছিলো জানো তোমাৰ মাজত,
কিন্তু ভয় আছিল কাৰণ
আমাৰ সম্পৰ্ক আছিল একপক্ষীয়
মোৰ ভালপোৱাৰ অধিকাৰ আছে,
কিন্তু প্ৰকাশ কৰাৰ অধিকাৰ নাই ।
মোৰ হেপাহ আছে
কিন্তু পোৱাৰ কোনো আশা নাই ।
তথাপিও ভালপোৱাবোৰ আছে বুকুৰ মাজত
কেতিয়াও শেষ নোহোৱাকৈ !
অনেকেমে থাকক দিয়া একপক্ষীয় ভাবে ।

- ৰাজশ্ৰী ৰাজবংশী
ডি এল এড দ্বিতীয় ষাণ্মাসিক

কবিতা

# জোনাক

নিশাৰ নিস্তব্ধ আন্ধাৰত,
জোনাকীয়ে উজলাই সমগ্ৰ ধৰণী
নিশাটো যেন এক মিঠা সপোনৰ দৰে,
অদ্ভুত হেপাহৰ ৰোলে ঝলকনি ॥

প্ৰকৃতিৰ বুকুত জিলমিল কৰে,
সেউজীয়া পোহৰৰ কোমল ছাঁ ।
মনৰ নিভাজ কোণত উঠে ;
এটি অচিনাকী স্নিগ্ধ আশা ॥

অলেখ তৰাৰে ভৰা আকাশ জিলিকাই,
পপীয়া তৰাৰ সতে থাকে গীত গায় ।
নাই কোনো শং , নাই কোনো অভিমান,
প্ৰেৰণাৰ সাগৰত তুমিয়েই বিদ্যমান ॥

- মলয়া কলিতা
ডি এল এড
দ্বিতীয় ষান্মাসিক

কবিতা

# সময়

সময় বয় যায়
নৈৰ দৰে ।
স্মৃতি ৰয় যায়
ছবিৰ দৰে ।
সময়ৰ ধূলিকণা লুকা-ভাকুৰ খেল
হেৰাই গ'ল আপোনজনৰ মাজৰ
সেই ধুনীয়া মেল ।
আজিও সেই একেই ধৰণী
সেই একেই প্ৰকৃতিখন
সলনি হৈ আছে
কেৱল আমাৰ মন ।
ঘূৰি যায় মন আজি
সেই অতীতলৈ বুলি
য'ত আছিল শান্তিৰ বতাহ
বিচাৰি পাইছিলো মৰমৰ হেপাহ
ব্যাকুল মন আজি
হ'ব খোজে মুকলি
অতীত আৰু ভৱিষ্যতৰ মাজত উতলি ।

- তৃষ্ণা দাস
ডি এল এড দ্বিতীয় ষাণ্মাসিক

কবিতা

# অস্তিত্বৰ সুবাস

- মিনাক্ষী শৰ্মা
ডি এল এড দ্বিতীয় ষাণ্মাসিক

চকুৰ পলকতে
আকাশত
গোমা ডাৱৰ গুচি
ৰামধেনুৰ মিঠা ৰং ভাঁহে.....
সেমেকা আন্ধাৰ ফালি
জোনাকী পৰুৱাই হাঁহে
জ্বলোৱা সেই সময়
তেতিয়াই আহেঁ.....
যেতিয়া তোমাৰ অস্তিত্বৰ সুবাস
হৃদয়ত ভাঁহে ।

শেতা সেমেকা হৃদয়ত
বৰষুণৰ টোপাল তুমি....
জৰৰ পিঞ্জৰ
এচেৰেঙা ৰ'দ তুমি.....

হীনতাৰ ভাৱৰে যেতিয়া
জোৰকৈ হাঁহে
অনিশ্চয়তাই
শৰীৰ শিপাই আহে.....

কিন্তু চকুৰ পলকতে
আকাশতে
ৰামধেনুৰ মিঠা ৰং ভাঁহে....
যেতিয়া তোমাৰ অস্তিত্বৰ সুবাস
হৃদয়ত ভাঁহে ।

# Evening by The River

The sun leans low on the river's face
Spilling gold in a trembling line
Soft winds carry the scent of dusk
And for a moment, the world feels mine.

The river listens, ancient and calm
To whisper the sky forgets to keep,
Light meets slowly into water.
As day learns how to sleep

Once, this hour was a sacred pause
Two hearts, one sky, one silent prayer.
Eyes met where the sunlight ended,
And love needed no witness there

Now screens glow brighter than sunset do
Headlines shout where silence grew,
The sun still sets with the same old grace
But fewer souls are watching it through

The river flows, yet feels unseen
It poetry drowned in breaking news,
Even romance feels edited now
Trimmed to fit a viral view.

Still, the sun sinks gently, faithful and slow
unaware of what we have made.
The evening remains romantic at heart
Though its meaning begins to fade.

- Birgwsri Boro
D. El. Ed. 4th Semester

# Liminal

- Dadir Ahmed
D. El. Ed. 4th Semester

What a time to sail !
When I've just realised the taste of sleep .
Calm shores cozy house warm food ,
oh , I'll miss it ,
waves are waiting ,
like a dispute is on going
To return as a man to do what I had
been doing .
To sleep to laugh to live .
Oh . I am sailing ....

कविता

# मौनताको भाषा

शब्द त यसै बदनाम छन्
कोही मौनता बुझिदियोस् न।
अङ्गालोमा त सबै बेरिन्छन्,
कोही हृदयको गुन्जन
एक लयमा धड्काइदियोस् न।
यहाँ एक्लो त सबै छन्,
यता छटपटी हुँदा उता मन जलिदियोस् न।
आँसु र मुस्कान त सबैले देख्छन्,
कोही मुटुको ढुकढुकी बुझिदियोस् न।
ढल्नु त सबैको कथा हो यहाँ,
तर सम्हालिदिने हात एउटा होस् न।
बोल्ने त धेरै भेटिन्छन्,
तर नबोली बुझ्ने कोही-कोही मात्र हुन्छन्।
मनको धड्कन सुन्ने कान चाहिन्छ,
आँखाको भाषा बुझ्ने मन चाहिन्छ।
माया त सबैले गर्छन भन्छन्,
तर निभाउन साँचो आत्मा चाहिन्छ।
त्यसैले त,
शब्दभन्दा मौनता गहिरो हुन्छ,
अङ्गालोभन्दा अनुभूति बलियो हुन्छ,
अनि पो त मुना र मदन हुन्छ,
अनि पो त तिमी र म हुन्छौं।

बिद्या ढुंगाना
डि एल एड चतुर्थ सेमेस्टर

कविता

# वक्त का पहिया

वक्त का पहिया चलता जाए,
न रुकता है, न थमता है,
कल जो था वह आज नहीं,
हर पल खुद को बदलता है।
कभी खुशी के रंग भरता,
कभी आँसू संग बहता है,
जीवन की इस राह में ये,
हर इंसान को परखता है।
कभी पास लाता है अपनों को,
कभी दूर भी कर जाता है,
पर हर मोड़ पर ये ज़िंदगी को,
थोड़ा और समझा जाता है।
मैंने देखा है वक्त को बदलते हुए,
खामोशी में बहुत कुछ कहते हुए,
ये पहिया ही तो है जो सिखाता है
कुछ खोकर ही इंसान खुद को पाता है।

दर्शना तालुकदार
डि एल एड चतुर्थ सेमेस्टर

# মহৎ লোকৰ বাণী

- সময়েই হ'ল মানুহৰ আটাইতকৈ মূল্যবান সম্পদ, কাৰণ সময় এবাৰ গ'লে কেতিয়াও ঘূৰি নাহে।

  — টমাচ্ আলভা এডিচনে

- এটা বন্দুকৰ গুলীতকৈ এটোপাল চিয়াঁহীৰ মূল্য বেছি।

  — মাদাৰ টেৰেছা

- প্ৰকৃত শিক্ষাই মানুহৰ মৰ্য্যাদা বঢ়ায় তদুপৰি ই আত্ম সন্মানো বৃদ্ধি কৰে।

  — এ. পি. জে আব্দুল কালাম

- সমালোচনা কৰিবলৈ যোগ্যতা নালাগে, কিন্তু সমালোচিত হ'বলৈ যোগ্যতা লাগে।

  — নেলচন মেণ্ডেলা

- যাৰ ধৈৰ্য্য আছে তেওঁ বিচৰা সকলো পাব পাৰে।

  — বেঞ্জামিন ফ্ৰেংকলিন

- সংগ্ৰহীত
- সীমাক্ষী দাস
টি এল এচ চতুৰ্থ ষাণ্মাসিক

# সাঁথৰ

* ভুইত ফুটে পানীত মৰে সেই বস্তু সকলোৱে ধৰে ঘৰে → নিমখ।

* আদি আছে অন্ত নাই জন্ম আছে মৃত্যু নাই → সময়।

* ইয়াতে মাৰিলোঁ টিপা, গড়গাঁও পালেগৈ শিপা → ভূমিকম্প।

* পানী আছে মানুহ নাই, জংঘল আছে বাঘ নাই → নাৰিকল।


* নদী আছে পানী নাই, ঘৰ আছে মানুহ নাই → মানচিত্ৰ।

* ডেকা হলে বেকা, বুঢ়া হলে সোন → ঢেকীয়া

– সংগ্ৰহীত
জুৰি কলিতা
ডি এল এড চতুৰ্থ ষাণ্মাসিক

# চিত্ৰকলা

"প্ৰতিজন শিশুৱেই এজন শিল্পী
সমস্যাটো হৈছে, ডাঙৰ হোৱাৰ
পিছতো কেনেকৈ সেই শিল্পীত্ব
বজাই ৰাখিব।"



ডিংকল বর্মন, ডি এল এড দ্বিতীয় ষাণ্মাসিক




টিংকল বর্মন, টি এল এড দ্বিতীয় ষান্মাসিক




ডিম্পল ডেকা, ডি এল এড চতুৰ্থ ষাণ্মাসিক



নাজমুন নেহার, ডি এল এড চতুর্থ ষান্মাসিক


Birgwsri Boro.
D.El-Ed. 4th Sem



Sujan Devi.
D.EL.ED. 2nd Sem.

03/2026

বাসন্তিনু ২০২৫-২৬ ৩০

Priyanka Deka

D.El.Ed 2nd Sm



ৰামধেনু ২০২৫-২৬ ৬৭

# স্থিরচিত্র

"পর্যবেক্ষণ আর লক্ষ্য সন্ধান
মিলনই হচ্ছে স্থিরচিত্র"


– ইলিয়ত এরবিত




ধ্রুবজ্যোতি কলিতা (চতুৰ্থ ষাণ্মাসিক)




অনিৰুদ্ধ ৰয় (চতুৰ্থ ষাণ্মাসিক)



মৌচুমী মনিবৰ্ষ (চতুৰ্থ ষাণ্মাসিক)



পিনাক্ষী মহন্ত (চতুৰ্থ ষাণ্মাসিক)




দৰ্শনা তালুকদাৰ (চতুৰ্থ ষাণ্মাসিক)

## স্থিৰচিত্ৰ




দেবাশিস কুমাৰ বড়ো (চতুৰ্থ ষান্মাসিক)




সীমাশ্ৰী দাস (চতুৰ্থ ষান্মাসিক)



বিদ্যা দৈংগল (চতুৰ্থ ষান্মাসিক)




নিশিতা চৌধুৰী (চতুৰ্থ ষান্মাসিক)





জুৰি বৰলিতা (চতুৰ্থ ষান্মাসিক)

# পরিশিষ্ট



ডি এল এডৰ প্ৰথম প্ৰাচীৰ পত্ৰিকা 'শব্দ' আৰু ইয়াৰ উন্মোচনী অনুষ্ঠানৰ কিছু মুহূৰ্ত









পাঠ্যক্ৰমৰ অন্তৰ্গত খাদ্য প্ৰদৰ্শনীৰ মুহূৰ্ত
(ডি এল এড ২০২৪ - ২৬)




ক্ষেত্ৰ অধ্যয়ন (ডি এল এড ২০২৫-২৭)

# মতামত

এক সুন্দৰ পদক্ষেপ। ৰামধেনু হাতেলিখা আলোচনীখনে মহাবিদ্যালয়ৰ সাহিত্য জগতখন আগলৈ যোৱাত এটা ডাঙৰ ভূমিকা থাকিব। ৰামধেনুৰ উত্তৰোত্তৰ কামনা কৰিলো। [illegible]

ৰামধেনু খন খুব উচ্চ মানৰ হৈছে। ইয়াৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো — [illegible]

ডি. এল. এড. প্ৰশিক্ষাৰ্থী সকলৰ প্ৰচেষ্টা শলাগিবলগীয়া সুন্দৰ শব্দবিন্যাস। — গীতাঞ্জলী পাটগিৰী

